# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 05-10-2024

**Time :** 21-25 Hrs.

# *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ কাষ চপাই নিয়াৰ লগতে সৰ্বাঙ্গীন বিকাশ ত্বৰান্বিত কৰাৰ বাবে ৩৯ খন সমজিলা প্ৰথম পৰ্যায়ত উদ্বোধনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ১৮ খন সমজিলা উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমজিলা আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখযোগ্য যে সমজিলা গঠনৰ পদক্ষেপ গ্ৰহণৰ দিশত অসমেই হৈছে দেশৰ প্ৰথমখন ৰাজ্য। সমজিলা গঠনৰ জৰিয়তে ৰাজ্য চৰকাৰে ভূমি ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ, দুৰ্যোগ ব্যৱস্থাপনা, খাদ্য াৰু অসামৰিক যোগানকে ধৰি কেইবালানি গুৰুত্বপূৰ্ণ সেৱা জনসাধাৰণক আগবঢ়োৱাৰ বাবে অভিলাসী পদক্ষেপ লৈছে। আজিৰ অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে, জনসাধাৰণে বিভিন্ন প্ৰমাণপত্ৰ, ভূমি সমস্যা, প্ৰ-পত্ৰ সংগ্ৰহ আদিৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাবলগীয়া হয়। এই দায়িত্বসমূহ জিলাা আয়ুক্ত কাৰ্যালয়ৰ পৰা আঁতৰাই দিয়াৰ ফলত আয়ুক্ত কাৰ্যালয়লৈ আহিবলগীয়া লোকৰ সংখ্যা ৮০ শতাংশলৈ হ্ৰাস পাব আৰু জিলা আয়ুক্তগৰাকীয়ে ৰাহি হোৱা সময়খিনি জিলাখনৰ উন্নয়নৰ কাম নিয়োগ কৰিব পাৰিব। তেওঁ কয় যে সমজিলা সমূহক মহকুমাৰ তুলনাত বেছি অধিকাৰ দিয়া হৈছে আৰু সেয়ে সমজিলাসমূহৰ গঠনৰ পাছত জনসাধাৰণে মহকুমাৰ তুলনাত অধিক সেৱা লাভ কৰিব। ৰাজ্যত বৰ্তমানে থকা সদৰ সমষ্টিসমূহৰ লগতে ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত এলেকা আৰু বিটিআৰক বাদ দি বাকী সমষ্টিসমূহত সমজিলা গঠন কৰা হব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা গঠন কৰাৰ পাছত অহা বছৰৰ জানুৱাৰী, ফেব্ৰুৱাৰী মাহত আৰু ৩৯ খন সমজিলা গঠন কৰি মুঠ ৭৮ খন সমজিলা গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অহা ৫ বছৰৰ ভিতৰ দেশৰ অন্য ৰাজ্যই সমজিলা ধাৰণাটো গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে আজি জালুকবাৰী সমজিলা উদ্বোধন উপলক্ষে জিলা কাৰ্যালয় চৌহদত এটা বকুল গছৰ পুলি ৰোপণ কৰে। ০০০০ ০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো ৩ টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। অৱশ্যে বিগত ২-৩ দিন ধৰি হৈ থকা বৰষুণৰ ফলত পূজাৰ মণ্ডপসমূহৰ প্ৰস্তুতিত কিছু সমস্যাই দেখা দিছে। প্ৰতিকুল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে পূজাৰ বাবে বজাৰ সমাৰকে ধৰি অন্যান্য প্ৰস্তুতি চলাই আছে। ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ আজি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা বুধবাৰে ষষ্ঠীৰ বেদীত দেবী প্ৰতিষ্ঠা কৰা হব্। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন

দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি নীতিৰে এই পূজা সম্পন্ন হয়। যোৱা ২৬ চেপ্তেম্বৰত কামাখ্যা ধামত পূজা আৰম্ভ হৈছে। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে। ০০০০

০০০

বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ অধ্যক্ষতাত গঠিত অসম বিধানসভাৰ ৫ জনীয়া স্থায়ী সমিতিয়ে আজি দৰং জিলা ভ্ৰমণ কৰে। দলটোৱে চিপাঝাৰ সমষ্টিৰ পদুমপুখুৰী হাইস্কুলত উপস্থিত হৈ বিদ্যালয়খনত অলপতে এজন ছাত্ৰৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত বুজ লয়। দলটোৱে ছাত্ৰজনৰ বাসগৃহলৈ গৈ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে পাছত জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁলোকে লগতে কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে।

০০০

গোলাঘাট জিলা প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ ৮ টা উন্নয়নখণ্ড কাৰ্যালয়তে জনসচেতনতা সভাৰ আয়োজন কৰা হয়। এই সভাৰ জৰিয়তে সমবেত ৰাইজক চৰকাৰী আঁচনিসমূহৰ বিভিন্ন সুবিধাৰ বিষয়ে অৱগত কৰোৱা হয়। এই সভাত খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে জিলাখনৰ প্ৰায় সকলো বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০

কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অধীনস্থ গুৱাহাটীৰ হোমিঅ'পেথিক আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে আজি দিশপুৰ প্ৰেছ ক্লাৱত আয়ুষ মন্ত্ৰালয়ৰ এশ দিনৰ কৃতিত্ব শীৰ্ষক এখন সংবাদ মেলৰ আয়োজন কৰে। জনস্বাস্থ্য উন্নয়নৰ লক্ষ্যৰে গুৱাহাটী আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে ইতিমধ্যে কেইবাটাও চিকিৎসা পৰীক্ষা সংক্ৰান্তীয় প্ৰকল্প আৰম্ভ কৰিছে বুলি সংস্থাটোৰ বিষয়ববীয়াই সংবাদমেলখনত জানিবলৈ দিয়ে। এইসমূহৰ ভিতৰত নাকৰ এলাৰ্জীজনিত ৰোগ, ক্ৰনিক আৰটিকেৰিয়া, হাইপ'থাইৰয়ডিজম, অৰ্শজনিত অধ্যয়ন, চাহ বাগিছাৰ শ্ৰমিকৰ স্বাস্থ্যৰ উন্নতি বিষয়ক প্ৰকল্প উল্লেখযোগ্য। ইয়াৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে কেন্দ্ৰীয় হোমিঅ'পপেথিক গৱেষণা প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ প্ৰকল্প ড্ৰাগ প্ৰুভিং আৰু ক্লিনিকেল ভেৰিফিকেশ্বন কাৰ্যসূচীও চলাই আহিছে। ইয়াৰ লগতে প্ৰতিষ্ঠানটোৱে যক্ষ্মা ৰোগৰ পৰীক্ষণ আৰু চিকিৎসা প্ৰদানৰ কেন্দ্ৰ এটাও স্থাপন কৰিছে। প্ৰতিষ্ঠানটোৱে মাতৃ আৰু শিশু ৰোগৰ বহিঃবিভাগ আৰু সাধাৰণ বহিঃবিভাগৰ সুবিধাসমূহো সকলো কৰ্মদিনত প্ৰদান কৰি আহিছে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীসকলৰ কাৰণে চৰকাৰী সুলভ হাৰত ঔষধ আৰু বিনামুলীয়া পৰামৰ্শ প্ৰদানৰ লগতে প্ৰতিষ্ঠানটোৱে জ্যেষ্ঠ নাগৰিকসকলক পঞ্জীয়নত ৫০ শতাংশ ৰেহাই দিয়ে। আজিৰ সংবাদমেলত প্ৰতিষ্ঠানটোৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত উদ্বোধন কৰা ছাফাই মিত্ৰ স্বাস্থ্য শিবিৰ আৰু পোষণ মাহৰ কাৰ্যসূচী বিষয়েও উল্লেখ কৰা হয়। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ্তিৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে ব্ৰিটেইনৰ ৰয়েল লণ্ডন হস্পিতালৰ সৈতে সহযোগিতা কৰে।

০০০

সমাপ্ত